সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নোহোৱা পৰ্যন্ত কিয়ামত সংঘটিত নহ'ব। যেতিয়া (সূৰ্য্য পশ্চিম ফালৰ পৰা) উদয় হ'ব আৰু মানুহে দেখা পাব, তেতিয়া সকলোৱে ঈমান আনিব,

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ সূৰ্য্য পশ্চিমফালৰ পৰা উদয় নোহোৱা পৰ্যন্ত কিয়ামত সংঘটিত নহ'ব। যেতিয়া (সূৰ্য্য পশ্চিম ফালৰ পৰা) উদয় হ'ব আৰু মানুহে দেখা পাব, তেতিয়া সকলোৱে ঈমান আনিব, সেই সময়ৰ বিষয়েই (কোৰআনত) কোৱা হৈছেঃ "সেইদিনা যিয়ে পূৰ্বে ঈমান পোষণ কৰা নাছিল, (তৎক্ষণাত লৈ অহা) তাৰ এই ঈমান কোনো কামত নাহিব, অথবা যি ব্যক্তিয়ে ঈমানৰ মাধ্যমত কল্যাণ লাভ কৰা নাছিল (তাৰ ঈমানো কোনো কামত নাহিব)।" (ছুৰা আল-আনআমঃ ১৫৮) কিয়ামত সংঘটিত হ'ব এনেকুৱা এটা সময়ত যেতিয়া দুজন ব্যক্তিয়ে (ক্ৰয়-বিক্ৰয়ৰ বাবে) নিজৰ সন্মুখত কাপোৰ মেলি ৰাখিব, কিন্তু সিহঁত কিনা বেচা কৰাৰ সময় নাপাব, আনকি জপাই থোৱাৰো সময় নাপাব। কিয়ামত সংঘটিত হ'ব এনেকুৱা সময়ত যে, কোনোবাই উটৰ গাখীৰ খিৰাই আনিছে কিন্তু সেয়া সেৱন কৰাৰো সময় নাপাব। কিয়ামত সংঘটিত হ'ব এনেকুৱা এটা সময়ত
যেতিয়া কোনোবাই নিজৰ ঘৰচীয়া জন্তুৰ বাবে পানী খুওৱা পাত্ৰ সাজিব, কিন্তু তাত পানী খুওৱাৰ সময় নাপাব। নিশ্চয় কিয়ামত সংঘটিত হ'ব এনেকুৱা এটা সময়ত যেতিয়া তোমালোকৰ
মাজৰ কোনোবাই খোৱা বস্তু মুখৰ ওচৰলৈ আনিব কিন্তু খোৱাৰ সময় নাপাব।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, কিয়ামতৰ এটা ডাঙৰ আলামত হৈছে পূৱফালৰ পৰিবৰ্তে পশ্চিমফালৰ পৰা সূৰ্য্য উদয় হ'ব। যেতিয়া এই দৃশ্য দেখা পাব তেতিয়া সকলোৱে ঈমান আনিব। কিন্তু তেতিয়াৰ ঈমানে কাফিৰসকলক কোনো উপকাৰ সাধন নকৰিব। আনকি নেক আমল আৰু তাওবাও কামত নাহিব। ইয়াৰ পিছত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছে যে, কিয়ামত আকস্মিকভাৱে সংঘটিত হ'ব, যি সময়ত মানুহে নিজৰ নিজৰ কৰ্মত ব্যস্ত থাকিব। কিয়ামত এনেকুৱা সময়ত সংঘটিত হ'ব যে, বিক্ৰেতাই ক্ৰেতাৰ সন্মুখত কাপোৰ উলিয়াই দিব কিন্তু বিক্ৰী কৰাৰ সময় নাপাব আৰু ভাঁজ কৰি ৰখাৰো সময় নাপাব। কিয়ামত এনেকুৱা সময়ত সংঘটিত হ'ব, যেতিয়া কোনো উটৰ গৰাকীয়ে উটৰ গাখীৰ খিৰাই আনিছে কিন্তু সেয়া সেৱন কৰাৰ সময় নাপাব। কিয়ামত সংঘটিত হ'ব এনেকুৱা সময়ত, যেতিয়া কোনো ব্যক্তিয়ে নিজৰ পোহনীয়া জন্তুবোৰক পানী খোৱাবলৈ পাত্ৰ এখন ঠিক কৰিব কিন্তু তাত পানী খোৱাব নোৱাৰিব। কিয়মাত এনেকুৱা এটা সময়ত সংঘটিত হ'ব, যেতিয়া কোনোবাই মুখলৈ খোৱা বস্তু দাঙি লব কিন্তু খাব নোৱাৰিব।

http://www.sunnah.global/hadeeth/as/show/65026